# বিকশিত অসম গঢ়াৰ দিশেৰে...



অসমৰ সৰ্বস্তৰৰ ৰাইজৰ অকুণ্ঠ সমৰ্থনেৰে গঠিত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যখনক উন্নয়নৰ পথেৰে আগুৱাই নিয়াৰ বাবে প্ৰয়াস আৰম্ভ কৰিছে। অসমবাসীৰ গভীৰ আস্থা আৰু বিশ্বাসৰ ভেটিত গঠিত চৰকাৰখনে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি এক সামগ্ৰিক বিকাশৰ পৰিৱেশ গঢ়ি তোলাৰ কামত আত্মনিয়োগ কৰিছে। বিগত বিধানসভা নিৰ্বাচনৰ সময়ত ৰাজ্যবাসীক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে মুখ্য মন্ত্ৰী সোণোৱাল আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলে পদক্ষেপ লোৱাটো ইতিমধ্যে পৰিলক্ষিত হৈছে। গভীৰৈলৈকে পোখা মেলা দুৰ্নীতি নিৰ্মূল, ভয়াৱহ ৰূপ লোৱা নিবনুৱা সমস্যা সমাধান, কৃষি খণ্ডৰ উন্নয়ন তথা কৃষকৰ আৰ্থিক সমৃদ্ধি, শৈক্ষিক ক্ষেত্ৰখনক সময়ৰ সৈতে সংগতি ৰাখি পৰিৱৰ্তনৰ পথেৰে আগুৱাই নিয়া, বিত্তীয় অৱস্থা টনকিয়াল কৰা, ঔদ্যোগীকৰণেৰে ৰাজ্যখনৰ অৰ্থনীতিত আমূল পৰিৱৰ্তনৰ প্ৰয়াসৰ পৰা ক্ৰীড়াক্ষেত্ৰলৈকে প্ৰতিটো দিশত উন্নয়নৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণৰ কাম চৰকাৰে হাতত লৈছে। প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰ, বান-গৰাখহনীয়া সমস্যা লাঘৱ কৰাৰ লগতে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত বিপৰ্যস্ত লোকসকলৰ কল্যাণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানৰ অংশীদাৰ হৈ অসমক এখন পৰিষ্কাৰ-পৰিচ্ছন্ন ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবেও বিশেষ উদ্যোগ লৈছে চৰকাৰখনে। বিমুদ্ৰাকৰণৰ সমান্তৰালভাৱে নগদ ধনবিহীন লেনদেনৰ সম্প্ৰসাৰণেৰে ভাৰতক কেছলেছ অৰ্থাৎ ডিজিটেল অৰ্থনীতিৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা অভিযান অসমতো পূৰ্ণগতিত ৰূপায়িত হৈছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণ প্ৰক্ৰিয়াটোক সঠিক দিশেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিছে স্বয়ং মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

বিগত বৰ্ষৰ ২৪ মে'ত শপতগ্ৰহণ কৰা মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনৰ কাম-কাজৰ মূল্যায়ন তথা সফলতা-বিফলতাৰ হিচাপ-নিকাচ কৰাৰ সময় এতিয়াও হোৱা নাই। ইতিমধ্যে মাত্ৰ ৯ টা মাহহে অতিক্ৰম কৰা চৰকাৰখনে হাতত লোৱা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী, ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা বিভিন্ন আঁচনিৰ বিষয়ে ৰাজ্যবাসীক সঠিক ৰূপত অৱগত কৰোৱাটোহে এই সময়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ কথা। কিয়নো ভালকৈ জানিলেহে ৰাইজে চৰকাৰৰ উন্নয়নমূলক আঁচনি তথা কাম-কাজৰ সুফল লাভৰ সুযোগ গ্ৰহণৰ বাবে আগবাঢ়ি আহিব। চৰকাৰৰ উন্নয়নমূলক আঁচনিয়ে যিমান বেছিকৈ লোকক সামৰি ল'ব সিমানেই ঊৰ্দ্ধমুখী হ'ব আঁচনিবোৰৰ সাফল্যৰ হাৰ।

দুৰ্নীতি নিৰ্মূল অভিযান তীব্ৰগতিত অব্যাহত ৰখা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ সবকা বিকাশ' নীতিকে আধাৰ হিচাপে লৈ ৰাজ্যখনৰ প্ৰতিটো প্ৰান্তৰ জনসাধাৰণক উন্নয়নৰ সম-অংশীদাৰ কৰাত গুৰুত্ব দিছে ৰাজ্য চৰকাৰে। ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ গতি ক্ষিপ্ৰতৰ কৰাৰ লগতে প্ৰতিজন নাগৰিকেই যাতে উন্নতি তথা আৰ্থিক সমৃদ্ধিৰ মুখ দেখিবলৈ সক্ষম হয় সেইটো নিশ্চিত কৰাৰ বাবে ৰাজ্যখনৰ সৰ্বস্তৰৰ পৰা দুৰ্নীতিৰ মূলোচ্ছেদ কৰাৰ ক্ষেত্ৰতো চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰিছে।

ৰাজ্য চৰকাৰখনৰ কাম-কাজৰ খতিয়ান লোৱাৰ বাবে দৃষ্টি নিক্ষেপ কৰিবলগীয়া আনটো গুৰুত্বপূৰ্ণ দিশ হৈছে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণ। ৰাজ্যখনৰ থলুৱা বাসিন্দাসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে এন আৰ চি উন্নয়ন প্ৰক্ৰিয়াটো সম্পূৰ্ণ আঁসোৱাহমুক্তভাৱে সম্পন্ন কৰাত বিশেষ গুৰুত্ব দিছে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই কথাৰ সুস্পষ্ট প্ৰতিফলনেৰে মুখ্য মন্ত্ৰীগৰাকীয়ে শপতগ্ৰহণৰ পাছত প্ৰথম দিনটোৰ চৰকাৰী কাৰ্যসূচী হিচাপে পৰিদৰ্শন কৰিছিল এন আৰ চিৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়।

ঐতিহাসিক অসম আন্দোলনত প্ৰাণাহুতি দিয়া বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ ক্ষেত্ৰতো এক অনন্য নিদৰ্শন দাঙি ধৰিলে চৰকাৰখনে। অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ বিসৰ্জন দিয়া ৮৬০গৰাকী ছহিদৰ পৰিয়ালক পাঁচ লাখকৈ টকাৰ সাহায্য আগবঢ়ালে। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত ছহিদ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত মুখ্য মন্ত্ৰী সোণোৱালে

অবৈধ বিদেশীৰ পৰা মুক্ত কৰি অসমক প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ পণ লোৱাৰ কথা উল্লেখ কৰে। অসমক বিদেশীমুক্ত কৰি ছহিদসকলৰ আধৰুৱা সপোন সাৰ্থক কৰিব লাগিব বুলি উল্লেখ কৰাৰ লগতে চৰকাৰ আৰু জনসাধাৰণৰ ঐক্যবদ্ধ প্ৰয়াসৰ জৰিয়তে এই লক্ষ্যত উপনীত হ'ব পৰা যাব বুলিও তেওঁ দৃঢ়মত পোষণ কৰে। সীমান্ত এলেকা উন্নয়নতো গুৰুত্ব আৰোপ কৰিছে চৰকাৰে। স্বয়ং মুখ্য মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কৰিছে ভাৰত-বাংলাদেশ সীমান্ত এলেকা।

ৰাজ্যখনত স্বাস্থ্যসেৱাৰ মান উন্নত কৰাৰ লগতে জনসাধাৰণৰ বাবে যিকোনো জটিল ৰোগৰ চিকিৎসা চৰকাৰী চিকিৎসালয়সমূহতে উপলব্ধ কৰোৱাৰ বাবেও চৰকাৰে লক্ষণীয়ভাৱে পদক্ষেপ গ্ৰহণ কৰিছে। ৰোগীসকলক কম দামতে উন্নতমানৰ ঔষধ যোগান ধৰাৰ উদ্দেশ্যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালত অমৃত ফাৰ্মাচী মুকলি কৰা হৈছে। বজাৰ মূল্যতকৈ ৬০ শতাংশৰ পৰা ৯০ শতাংশ পৰ্যন্ত কম দামত ঔষধ বিক্ৰীৰ সুবিধাসম্পন্ন এনে অমৃত ফাৰ্মাচী ৰাজ্যৰ অন্যান্য চিকিৎসা মহাবিদ্যালয়কেইখনৰ লগতে জিলা চিকিৎসালয়সমূহতো স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ধুবুৰী আৰু নগাঁৱত একোখনকৈ নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ প্ৰক্ৰিয়া শেহতীয়াকৈ আৰম্ভ কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কৰ্কট ৰোগ চিকিৎসালয় মুকলি কৰা হৈছে। ৰাজ্যৰ ভিতৰতে কৰ্কট ৰোগৰ সু-চিকিৎসা সহজলভ্য কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ এয়া এক গুৰুত্বপূৰ্ণ নিদৰ্শন হিচাপে চিহ্নিত হৈছে।

ৰাজ্যখনৰ গ্ৰামাঞ্চলসমূহৰ পূৰ্ণ পৰ্যায়ৰ বিকাশতো বিশেষ গুৰুত্ব দিয়া হৈছে। এই অনুসৰি ২৫৪২৫ খন ৰাজহ গাঁৱৰ প্ৰতিখনতে আন্তঃগাঁথনিমূলক উন্নয়নৰ বাবে অহা পাঁচ বছৰৰ ভিতৰত ১ কোটি ২০ লাখ টকাকৈ ব্যয় কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

নিবনুৱা সমস্যা সমাধানৰ বাবে বিভিন্ন কৰ্ম আঁচনি যুগুত কৰা হৈছে। সময়ৰ সৈতে সংগতি ৰাখি তথা বৰ্তমান কৰ্ম-সংস্থাপন লাভৰ বাবে প্ৰয়োজনীয় দক্ষতাৰে যুৱক-যুৱতীসকলক সমৃদ্ধ কৰাৰ বাবে পৰিকল্পিতভাৱে কাম হাতত লোৱা হৈছে। বিভিন্ন প্ৰশিক্ষণেৰে যুৱক-যুৱতীসকলক বিভিন্ন দিশত দক্ষ কৰি তুলি তেওঁলোকক নিযুক্তিৰ সুবিধা কৰি দিয়াৰ লক্ষ্যৰে প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণেৰে যুৱ প্ৰজন্মক সংস্থাপনৰ বাবেও উৎসাহী কৰি এইক্ষেত্ৰত উপযুক্ত সুযোগ-সুবিধাও প্ৰদান কৰিব চৰকাৰে।

বিমুদ্ৰাকৰণৰ পাছত দেশজুৰি নগদ ধনবিহীন লেনদেনৰ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা অভিযানৰ মাজতে অসমতো কেছলেছ তথা ডিজিটেল লেনদেনৰ প্ৰসাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰিছে। কেছলেছ লেনদেন সম্প্ৰসাৰণৰ এই অভিযানে এক নতুন অধ্যায়ৰ সূচনা কৰিছে ৰাজ্যৰ চাহ বাগিচাসমূহত। চাহ মজদুৰসকলক বেংক একাউণ্টযোগে মজুৰি প্ৰদান তথা মজুৰিৰ ধন এ টি এম যোগে উলিওৱাৰ ব্যৱস্থা কৰি দিয়া হৈছে। এই প্ৰক্ৰিয়াৰ বাস্তৱসন্মত ৰূপায়ণৰ বাবে চাহ শ্ৰমিকসকলক বেংকত একাউণ্ট খুলি দিয়াৰ লগতে বিভিন্ন চাহ বাগিচাত স্থাপন কৰা হৈছে এ টি এম। চাহ শ্ৰমিকক এ টি এম যোগে মজুৰিৰ ধন উলিওৱাৰ সুবিধা প্ৰদান কৰা অসমেই দেশৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ গৌৰৱ অৰ্জন কৰিছে।

জনসাধাৰণৰ আশা-আকাংক্ষাক বাস্তৱ ৰূপ দান কৰি ৰাজ্যখনক উন্নয়নৰ পথেৰে আগুৱাই নিয়াৰ লক্ষ্যৰে চৰকাৰখনে কাম কৰা পৰিলক্ষিত হৈছে। সকলোৰে সমভাৱে বিকাশৰ পৰিৱেশ গঢ়ি তোলাটোহে চৰকাৰৰ উদ্দেশ্য। এই উদ্দেশ্য সাৰ্থক কৰাৰ বাবে চৰকাৰখনে আৰম্ভ কৰা কাম-কাজত ৰাজ্যখনৰ সৰ্বস্তৰৰ ৰাইজে সহযোগ কৰিব লাগিব। চৰকাৰ আৰু ৰাইজ পৰস্পৰে হ'ব লাগিব সহযোগী। চৰকাৰ আৰু ৰাইজৰ সহযোগিতাৰ মাজেৰেহে সাৰ্থক হ'ব দুৰ্নীতিমুক্ত এখন বিকশিত অসম গঢ়াৰ আকাংক্ষা।❑❑



*গণৰাজ্য দিৱস সাংবাদিকতা বঁটা প্ৰদানৰ মুহূৰ্তত ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিত, মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্য সচিব ভি কে পিপাৰছেনিয়াৰ সৈতে প্ৰবীণ সাংবাদিক ৰাধিকা মোহন ভাগৱতী*

# সকলোকে সামৰি ৰাজ্য চৰকাৰৰ উন্নয়নমুখী বাজেট



সকলো স্তৰৰ নাগৰিকৰ কল্যাণক সম গুৰুত্ব প্ৰদানেৰে ৰাজ্যখনক সমন্বিত বিকাশৰ পথেৰে আগুৱাই নিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে দাখিল কৰিলে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেট। কৃষক, চাকৰিজীৱী, নিবনুৱাৰ পৰা আৰম্ভ কৰি সাধাৰণ খাটি খোৱা জনতা, ছাত্ৰ-ছাত্ৰী সকলোৰে আশা-আকাংক্ষাক বাস্তৱায়িত কৰাৰ বিভিন্ন প্ৰস্তাৱ সম্বলিত বাজেটখন দাখিল কৰিলে ৰাজ্যৰ বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিধানসভাত যোৱা ৭ ফেব্ৰুৱাৰীত বাজেট দাখিল কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ কল্যাণকামী বিভিন্ন পদক্ষেপৰ প্ৰস্তাৱসমূহৰ বিষয়ে ঘোষণা কৰে। ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগৰ জৰিয়তে উন্নয়নৰ প্ৰক্ৰিয়াক খৰ গতিত আগুৱাই নিয়াৰ লগতে কৃষক, শ্ৰমিকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়নৰ লক্ষ্য সম্বলিত বিভিন্ন প্ৰস্তাৱ বাজেটত সন্নিৱিষ্ট হোৱাৰ কথা উল্লেখ কৰে বিত্তমন্ত্ৰীগৰাকীয়ে। কোনো ধৰণৰ নতুন কৰ আৰোপৰ প্ৰস্তাৱ নথকা বাজেটখন দাখিল কৰি বিধানসভাৰ মজিয়াত দিয়া প্ৰায় চাৰি ঘণ্টাজোৰা ভাষণত বিত্তমন্ত্ৰীগৰাকীয়ে বিগত বিধানসভা নিৰ্বাচনত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ পালনৰ ক্ষেত্ৰত দায়বদ্ধতাৰ প্ৰতিফলন ঘটায়। মন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে এইবাৰৰ বাজেটখন হৈছে ২৩৪৯.৭৯ কোটি টকাৰ ঘাটি বাজেট। বিভিন্ন আঁচনি ৰূপায়ণ তথা বিভিন্ন শিতানলৈ আবণ্টিত ধনৰ পৰিমাণৰ ফালৰ পৰা বাজেটখনত ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ হৈছে ২৪৭৭৭৯.৮৬ কোটি টকা। আনহাতে নতুন বিত্তীয় বছৰটোত চৰকাৰৰ হাতলৈ আহিবলগীয়া মুঠ ধনৰ পৰিমাণ হ'ব ২৪৭৪১২.৬৭ কোটি টকা। সেই হিচাপে ২০১৭-১৮ বিত্তীয় বছৰটোত প্ৰাক্কলিত লেনদেনৰ বাবদ আনুমানিক ঘাটিৰ পৰিমাণ হ'ব ৩৬৭.১৯ কোটি টকা। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ঘাটি ১৯৮২.৬০ কোটি টকাৰ হিচাপ মিলালে বছৰটোৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ হ'বগৈ ২৩৪৯.৭৯ কোটি টকা। এইবাৰৰ বাজেটত সমাজৰ সৰ্বস্তৰৰ লোকক সামৰি বিকাশৰ প্ৰক্ৰিয়াটোক ত্বৰান্বিত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা হৈছে কেইবাখনো অভিলাষী আঁচনি। উল্লেখ্য যে বাজেটত ১৮ টা দিশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বিত্তমন্ত্ৰীগৰাকীয়ে অষ্টাদশ মুকুতাৰ উন্নয়নী মালা আখ্যা দি সেই আঁচনিসমূহক একত্ৰিতভাৱে সন্নিৱিষ্ট কৰিছে বাজেটত। সেই অনুসৰি ৰাজ্যখনৰ যুৱকসকলক কৰ্মসংস্থাপনৰ বৰ্ধিত সুযোগ প্ৰদানৰ উদ্দেশ্যে স্বামী বিবেকানন্দৰ আদৰ্শৰে অনুপ্ৰাণিত এক আঁচনি ৰূপায়ণৰ প্ৰস্তাৱ কৰা হৈছে। যাৰ নাম দিয়া হৈছে 'স্বয়ম যোজনা'। একেদৰে কনকলতা মহিলা সবলীকৰণ যোজনাৰে ৰাজ্যখনত এক লাখ মহিলা আত্মসহায়ক গোট গঠনৰ প্ৰস্তাৱ কৰাৰ লগতে প্ৰতিটো মহিলা আত্মসহায়ক গোটকে ৫ লাখ টকাকৈ ঋণ আগবঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে। তেনেদৰে থলুৱা মাছৰ সংৰক্ষণৰ লক্ষ্যৰে এনে জিন বেংক স্থাপন, মধ্যাহ্ন ভোজন আঁচনিৰ সংস্কাৰ, মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ বাবে মূল স্থিৰকৰণ পুঁজি, নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি, শূন্য সুদত শস্য ঋণ, কিষাণ ঋণ পত্ৰ ব্যৱহাৰকাৰী কৃষকলৈ বিত্তীয় সাহায্য, এহেজাৰ কাঠৰ দলঙৰ পকীকৰণ, নগৰ অঞ্চলত সকলোৰে বাবে আবাসগৃহ, দিব্যাংগসকলৰ বাবে সাহায্য আঁচনি, চাহ শ্ৰমিকৰ কল্যাণ, প্ৰবাসী

অসমীয়া বিভাগ গঠনকে সামৰি মুঠ ১৮ খন বিশেষ আঁচনিক সামৰি লোৱা হৈছে অষ্টাদশ মুকুতাৰ উন্নয়নী মালাত। ইফালে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে সুখবৰ কঢ়িয়াই অনা বাজেটখনত সপ্তম দৰমহা আয়োগৰ প্ৰতিবেদন ২০১৬ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰীকৰণৰ প্ৰস্তাৱ কৰা হৈছে। চৰকাৰী কৰ্মচাৰীৰ সন্তানৰ উচ্চ শিক্ষাৰ বাবে মাত্ৰ ৪ শতাংশ সুদ ত ১০ লাখ টকা পৰ্যন্ত ঋণ প্ৰদান, কোনোধৰণৰ বন্ধকী অবিহনে চৰকাৰী কৰ্মচাৰীক ৫.০৫ শতাংশ সুদত ১৫ লাখ টকালৈকে গৃহ ঋণ প্ৰদানৰ প্ৰস্তাৱ কৰা হৈছে। শিলচৰ, তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড়, নগাঁও আৰু তেজপুৰ চহৰত উন্নয়নৰ বাবে ১২০০ কোটি টকাৰ নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি গঠনৰ প্ৰস্তাৱ কৰা হৈছে। এই পুঁজিৰ পৰা উক্ত প্ৰতিখন চহৰৰে উন্নয়নৰ বাবে ২০০ কোটিকৈ টকা আগবঢ়োৱা হ'ব বুলি বাজেট ভাষণত উল্লেখ কৰিছে বিত্তমন্ত্ৰীগৰাকীয়ে। ৰাজ্যখনত কৃষকসকলৰ আৰ্থিক উন্নয়নত বিশেষ গুৰুত্ব আৰোপেৰে এইবাৰৰ বাজেটত ১০০ শতাংশ সুদ ৰেহাইৰ ব্যৱস্থাৰে কৃষকক এক লাখ টকা পৰ্যন্ত শূন্য সুদত শস্য ঋণ প্ৰদানৰ প্ৰস্তাৱ কৰা হৈছে। আনহাতে নিষ্ক্ৰিয় হৈ থকা কে চি চিসমূহ নৱীকৰণৰ বাবে কৃষকক ৩ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে। ৰাজ্যখনত কৃষকসকলৰ পৰিচয় পত্ৰ প্ৰদানৰ বাবে প্ৰস্তাৱ ৰখা হৈছে বাজেটত। আনহাতে যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত এহেজাৰখন কাঠৰ দলং পকীকৰণৰ প্ৰস্তাৱ লোৱা হৈছে। এইবাৰৰ বাজেটত চাহ শ্ৰমিকসকলৰ বাবেও বিভিন্ন কল্যাণকামী পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এই অনুসৰি চাহ বাগিচাৰ প্ৰতিজন কৰ্মীৰ একাউণ্টত ৫ হাজাৰকৈ টকা দিয়া হ'ব। আনহাতে গৰ্ভৱতী চাহ কৰ্মীক ১২ হাজাৰকৈ টকাৰ এককালীন সাহায্য বাজেটখনত প্ৰতিফলিত হোৱা চাহ কৰ্মচাৰীৰ কল্যাণকামী আন এটা গুৰুত্বপূৰ্ণ



*অসম বিধানসভাৰ অধ্যক্ষ হিতেন্দ্ৰনাথ গোস্বামী*

পদক্ষেপ। মুখ্য মন্ত্ৰীৰ গৃহ সমষ্টি তথা নদীদ্বীপ মাজুলীত দহ হেক্টৰ ভূমিত সংহত মাছ-গাহৰি পালনৰ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰস্তাৱ সম্বলিত বাজেটখনত অসমৰ জৈৱিক সামগ্ৰীসমূহৰ ট্ৰেডমাৰ্ক হিচাপে মাজুলীৰ নাম ব্যৱহাৰ কৰি 'অ' মাজুলী' নামকৰণ কৰিব বিচৰা হৈছে। স্বাস্থ্য খণ্ডৰ প্ৰতি বিশেষ গুৰুত্বৰে এইবাৰৰ বাজেটত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ১১৬ খন নতুন আদৰ্শ চিকিৎসালয় নিৰ্মাণ, সকলো জিলা চিকিৎসালয় আৰু ৫খন চিকিৎসা মহাবিদ্যালয়ত অমৃত ফাৰ্মাচী খোলাৰ প্ৰস্তাৱ কৰা হৈছে। তিনিচুকীয়া আৰু নলবাৰী জিলাৰ বাসিন্দাসকলৰ বাবে সুখবৰ কঢ়িয়াই এইবাৰৰ বাজেটত উক্ত দুয়োখন জিলাত দুখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব বুলি বাজেট ভাষণত প্ৰকাশ কৰিছে মন্ত্ৰীগৰাকীয়ে। অকল

# পিতৃ-মাতৃক অৱহেলা কৰা কৰ্মচাৰীৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিব চৰকাৰে

নিজৰ সন্তানে উপেক্ষা কৰা দুৰ্ভগীয়া বৃদ্ধ পিতৃ-মাতৃসকলৰ বাবে আশাৰ বাৰ্তা কঢ়িয়াই আনিছে ৰাজ্য চৰকাৰৰ এইবাৰৰ বাজেটে। সন্তানৰ দ্বাৰা উপেক্ষিত হৈ দুখ-যন্ত্ৰণাৰে জীৱন কটাবলগীয়াত পৰা বৃদ্ধ পিতৃ-মাতৃসকলৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যত এখন নতুন আইন প্ৰৱৰ্তনৰ প্ৰস্তাৱ ৰখা হৈছে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ৰাজ্যিক বাজেটত। বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰা বাজেটত প্ৰস্তাৱিত উক্ত আইন অনুসৰি নিজৰ বৃদ্ধ পিতৃ-মাতৃক অৱহেলা কৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ দৰমহাৰ এটা অংশ কৰ্তন কৰি সেই অংশটো তেওঁলোকৰ পিতৃ-মাতৃক প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। অকল ৰাজ্য চৰকাৰৰ অধীনস্থ কৰ্মচাৰীৰ ক্ষেত্ৰতেই নহয়, পিতৃ-মাতৃক অৱহেলা কৰা চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান, ৰাজ্যিক-ৰাজহুৱা প্ৰতিষ্ঠানৰ কৰ্মচাৰী, কোম্পানীসমূহৰ কৰ্মচাৰীৰ ক্ষেত্ৰতো অনুৰূপ পদক্ষেপ গ্ৰহণ কৰা হ'ব প্ৰস্তাৱিত আইনখনৰ আধাৰত। বিধানসভাত যোৱা ৭ ফেব্ৰুৱাৰীত বাজেট দাখিল কৰি দিয়া ভাষণত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৈছিল যে পৰিৱৰ্তনশীল জনসংখ্যাৰ বয়সভিত্তিক গাঁথনিৰ পৰিপ্ৰেক্ষিতত ৬০ বছৰ বয়সৰ উৰ্দ্ধৰ লোকৰ শতকৰা হাৰ ধাৰাবাহিকভাৱে বাঢ়ি গৈ থাকিব। বয়োজ্যেষ্ঠসকলৰ এই বৰ্ধিত সংখ্যা মাথোঁ প্ৰাতিষ্ঠানিক উৎসসমূহৰ দ্বাৰাই নহয়, পাৰিবাৰিক গাঁথনিৰ জৰিয়তেও সেৱা আগবঢ়োৱাৰ প্ৰয়োজনীয়তা থাকিব। এই প্ৰক্ৰিয়াৰ আৰম্ভণি হিচাপে পাৰিবাৰিক দায়বদ্ধতাক এখন আইনৰ মাধ্যমেৰে সামৰি ল'বলৈ বিচাৰিছে চৰকাৰে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰী তথা চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠানৰ কৰ্মচাৰী, ৰাজ্যিক-ৰাজহুৱা প্ৰতিষ্ঠানৰ কৰ্মচাৰী, কোম্পানীসমূহৰ কৰ্মচাৰীসকলে তেওঁলোকৰ বৃদ্ধ পিতৃ-মাতৃক উপযুক্ত ধৰণে যত্ন ল'ব বুলি আশা কৰা হৈছে। যিসকলে নিজৰ বৃদ্ধ পিতৃ-মাতৃক গুৰুত্ব নিদিয়ে, সেইসকল কৰ্মচাৰীক লক্ষ্য কৰি আইনখন প্ৰণয়নৰ প্ৰস্তাৱ কৰা হৈছে। প্ৰস্তাৱিত আইনখনৰ অধীনত নিজৰ পিতৃ-মাতৃৰ দায়িত্ব নোলোৱা কৰ্মচাৰীসকলৰ দৰমহাৰ এটা অংশ কাটি লোৱা হ'ব আৰু সেই অংশটো চৰকাৰে প্ৰদান কৰিব অৱহেলিত পিতৃ-মাতৃসকলক। ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে নতুন বিত্তীয় বছৰটোৰ ভিতৰতে এই আইনখন প্ৰণয়নৰ ব্যৱস্থা কৰিব বুলি উল্লেখ কৰিছে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। লগতে প্ৰস্তাৱিত আইনখন ৰাজ্যখনত জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰতি যথাযোগ্য সন্মান হিচাপে চিহ্নিত হ'ব বুলিও তেওঁ অভিমত ব্যক্ত কৰিছে।

সেয়া নহয়, ৰাজ্যৰ প্ৰতিখন পুৰণি জিলাতে এখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ অভিলাষী প্ৰস্তাৱৰ কথাও বাজেট ভাষণত উল্লেখ কৰিছে তেওঁ। শিক্ষাখণ্ডৰ উন্নয়নত গুৰুত্ব দিয়া বাজেটখনত আগন্তুক শিক্ষা বৰ্ষত স্নাতকোত্তৰ (এম এ, এম এছ চি, এম কম) শ্ৰেণীত দুখীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নামভৰ্তিৰ সুযোগ দিয়া হ'ব। আগন্তুক শিক্ষা বৰ্ষত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মাচুল হেৰাইৰ লগতে কেন্দ্ৰ মাচুলো ৰেহাইৰ প্ৰস্তাৱ কৰা হৈছে। উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ উদ্দেশ্যে বৰপেটা, উত্তৰ লখিমপুৰ আৰু হোজাই জিলাত একোখনকৈ কলেজক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ প্ৰস্তাৱৰ লগতে মাজুলীত এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা উন্নয়নৰ লক্ষ্যৰে গ্ৰামাঞ্চলীয় ৭৮,৫০০ জন যুৱক-যুৱতীক দক্ষতাৰ ভিত্তিত প্ৰশিক্ষণ দিয়াৰ বাবেও বাজেটত প্ৰস্তাৱ ৰখা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত দুখন নতুন দলং নিৰ্মাণৰ প্ৰস্তাৱ কৰা বাজেটখনত নদীদ্বীপ মাজুলীক এক গুৰুত্বপূৰ্ণ পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি মাজুলীত তিনি তাৰকাযুক্ত ৰিজৰ্ট-হোটেল স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। উল্লেখ্য যে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে দাখিল কৰা এইখনেই হৈছে প্ৰথম পূৰ্ণ পৰ্যায়ৰ বাজেট। বিভিন্ন অভিলাষী আঁচনি আৰু প্ৰতিশ্ৰুতিৰে পৰিপূৰ্ণ বাজেটখন সঠিকভাৱে ৰূপায়ণ কৰাটো ৰাজ্য চৰকাৰৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হ'ব বুলি মন্তব্য কৰিছে স্বয়ং বিত্তমন্ত্ৰীগৰাকীয়ে। ৰাজ্যখনত সামগ্ৰিক বিকাশৰ প্ৰেক্ষাপট গঢ়ি তোলাৰ লক্ষ্যৰে অগ্ৰসৰ হোৱা ৰাজ্য চৰকাৰখনে বাজেটত সন্নিৱিষ্ট প্ৰস্তাৱসমূহ বাস্তৱায়িত কৰাৰ বাবে 'টীম অসম'ৰ উদ্দীপনাৰে প্ৰয়াস চলাব বুলিও মন্তব্য কৰিছে বিত্তমন্ত্ৰীগৰাকীয়ে।

# বাজেটত অষ্টাদশ মুকুতাৰ উন্নয়নী মালা

সৰ্বস্তৰৰ লোকক সামৰি ৰাজ্যখনক বিকাশৰ পথেৰে আগুৱাই নিয়াৰ লক্ষ্যৰে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত বিভিন্ন উদ্ভাৱনীমূলক আঁচনি ঘোষণা কৰা হৈছে। ৰাজ্যখনত ক্ৰমবৰ্ধমান আত্মবিশ্বাস প্ৰতিফলিত হোৱাকৈ যুগুত কৰা হৈছে ১৮ খন অভিনৱ আঁচনি। বিধানসভাত বাজেট দাখিল কৰি দিয়া ভাষণত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সেই আঁচনিসমূহক একত্ৰিতভাৱে অভিহিত কৰে অষ্টাদশ মুকুতাৰ উন্নয়নী মালা হিচাপে। উন্নয়নী মালাৰ ৰূপত প্ৰক্ষেপিত সেই আঁচনিকেইখন হ'ল—

**স্বামী বিবেকানন্দ অসম যুৱ সবলীকৰণ (স্বয়ম) যোজনা ঃ** ৰাজ্যখনত যুৱ প্ৰজন্মক সবলীকৰণৰ পথেৰে আগুৱাই নিয়াৰ উদ্দেশ্যে স্বামী বিবেকানন্দৰ নামেৰে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিব বিচৰা এইখন ধ্বজাবাহী আঁচনি। এই আঁচনিৰ অধীনত এক লাখ যুৱকক উদ্যোগ তথা বাণিজ্যৰ বাবে ঋণ প্ৰদান কৰা হ'ব। নতুনকৈ আৰম্ভ কৰিব খোজা গোট (এণ্টাৰপ্ৰাইজ)ৰ ক্ষেত্ৰত সৰ্বোচ্চ এক লাখ টকা পৰ্যন্ত ঋণ প্ৰদান কৰা হ'ব। আনহাতে চলিত গোট (এণ্টাৰপ্ৰাইজ)ৰ ক্ষেত্ৰত সৰ্বোচ্চ ২ লাখ টকা পৰ্যন্ত ঋণ প্ৰদান কৰা হ'ব। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে আগবঢ়াব ২০ শতাংশ ৰাজ সাহায্য।

**কনকলতা মহিলা যোজনা ঃ** মহিলাসকলকো বিকাশ প্ৰক্ৰিয়াৰ অংশীদাৰ কৰি লোৱাৰ উদ্দেশ্য আগত ৰাখি ৰূপায়ণ কৰিব বিচৰা এই যোজনাৰ অধীনত এক লাখ মহিলা আত্মসহায়ক গোট গঠন কৰা হ'ব। প্ৰতিটো আত্মসহায়ক গোটক মূলধনী ৰাজ সাহায্যৰ ব্যৱস্থাৰে ৫ লাখ টকাকৈ ঋণ প্ৰদান কৰিব। বৰ্তমানৰ বিত্তীয় বৰ্ষত প্ৰাৰম্ভিক পুঁজি হিচাপে ২৫ হাজাৰ টকাৰ এক অনুদান আগবঢ়োৱা হ'ব আৰু কেইটামান চৰ্ত পূৰণ কৰাৰ পাছত বাকী থকা পুঁজি মোকলাই দিয়া হ'ব।

**থলুৱা মাছৰ জীন বেংক ঃ** অস্তিত্ব বিপন্ন হ'বলৈ ধৰা অসমৰ থলুৱা মাছৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণৰ লগতে বংশ বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰিব বিচৰা হৈছে এই আঁচনি। এই অনুসৰি সমগ্ৰ অসমত থলুৱা মাছসমূহক সামৰি এখন ডাইৰেক্টৰী আৰু জীন বেংকৰ এটা তথ্য কোষ বৈজ্ঞানিকভাৱে প্ৰস্তুত কৰি উলিওৱাৰ ব্যৱস্থা কৰা হ'ব। মৎস কুলৰ বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ কেতবোৰ বিশেষ জাতৰ থলুৱা মাছৰ ক্ষেত্ৰত স্থানীয় পৰিৱেশৰ সৈতে খাপ খোৱাকৈ এক প্ৰৱৰ্ধন প্ৰযুক্তিৰ বিকাশ কৰা হ'ব।

**মধ্যাহ্ন ভোজন আঁচনিৰ সংস্কাৰ ঃ কণী আৰু ৰন্ধন গেছৰ যোগান ঃ** বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত শিশু ছাত্ৰ-ছাত্ৰীসকলৰ দুপৰীয়াৰ আহাৰত এতিয়াৰে পৰা সপ্তাহত দুবাৰকৈ কণী আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ বাবে প্ৰতি বছৰে চৰকাৰৰ ব্যয় হ'ব ১৩০ কোটি টকা। আনহাতে মধ্যাহ্ন ভোজন ৰন্ধাৰ ক্ষেত্ৰত খৰিৰ ব্যৱহাৰ বন্ধ কৰি সংশ্লিষ্ট বিদ্যালয়সমূহক ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে।

**মূল্য স্থিৰকৰণ পুঁজি ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ অস্বাভাৱিক বৃদ্ধি নিয়ন্ত্ৰণ কৰি উপভোক্তাক সকাহ দিয়াৰ উদ্দেশ্যে এই পুঁজি গঠনৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে এইবাৰৰ বাজেটত ধাৰ্য কৰা হৈছে ১৫০ কোটি টকা।

**উজলাৰ বাবে বিত্তীয় উদ্‌গনি ঃ** দৰিদ্ৰ সীমাৰেখাৰ তলত প্ৰতিটো পৰিয়ালক বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ ল'বলৈ উদ্‌গনি দিয়াৰ বাবে এহেজাৰ টকাকৈ সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ বাবে বাজেটত ৫ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ ৰখা হৈছে।

**তেজস্বী নৱ-অধীতম-অস্তু শৈক্ষিক আন্তঃগাঁথনি পুঁজি বৃত্তিগত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ উন্নয়ন ঃ** বৃত্তিমুখী মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এই পুঁজিৰ শিতানত ৬৬৭ কোটি টকাৰ বিশেষ অনুদানৰ প্ৰস্তাৱ কৰা হৈছে। সংখ্যালঘু বসতিপ্ৰধান অঞ্চলত আঠখন নতুন মহিলা মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ উপৰি তিনিখন চৰকাৰী স্নাতক মহাবিদ্যালয়, তিনিখন পলিটেকনিক, ২০ খন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, ৩৩ টা দক্ষতা বিকাশ কেন্দ্ৰ, সৰভোগত এখন দুগ্ধ প্ৰযুক্তি মহাবিদ্যালয়, কোকিলাবাৰীত এখন কৃষি বনানীকৰণ আৰু জৈৱ বৈচিত্ৰ্য মহাবিদ্যালয় স্থাপন কৰা হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা পৃথক কৰি পশুপালন আৰু জীৱ বিজ্ঞানৰ এখন নতুন বিশ্ববিদ্যালয়, মাজুলীত নতুনকৈ এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। তদুপৰি হোজাই, উত্তৰ লখিমপুৰ আৰু বৰপেটা জিলাত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

**নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি ঃ** চহৰ অঞ্চলৰ ৰাজহুৱা আন্তঃগাঁথনি নিৰ্মাণৰ উদ্দেশ্যে ১২০০ কোটি টকীয়া এই আঁচনি ৰূপায়ণৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ অধীনত এক লাখতকৈ অধিক জনসংখ্যাৰ বসতি থকা ছয়খন চহৰ— শিলচৰ, তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড়, নগাঁও আৰু তেজপুৰক সামৰি লোৱা হ'ব। প্ৰতিখন চহৰৰ বাবে ২০০ কোটি টকাকৈ ব্যয় কৰা হ'ব।

**চি এম এছ জি ইউ ৱাই—প্ৰৱেশ বিন্দু কাৰ্যক্ৰম ঃ** ৰাজ্যখনৰ কৃষকসকলৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ উদ্দেশ্যে বিগত বাজেটখনত পাঁচ বছৰৰ বাবে ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা শীৰ্ষক এক বহুমুখী মিছন কাৰ্যসূচী ঘোষণা কৰা হৈছিল। ইয়াৰ অধীনত এইবাৰৰ

বাজেটত তিনিটা প্ৰৱেশ বিন্দু কাৰ্যক্ৰম চিনাক্ত কৰি উলিওৱা হৈছে। সেইকেইটা হ'ল— প্ৰতিখন ৰাজহ গাঁৱত কৃষি যান্ত্ৰিকীকৰণৰ বাবে নতুন ট্ৰেক্টৰ যোগান, প্ৰতিখন ৰাজহুৱা গাঁৱত এম জি এনৰেগাৰ সৈতে যুক্ত হৈ ফুটবল খেলপথাৰৰ বিকাশ আৰু প্ৰতিখন পঞ্চায়তত জ্ঞান কেন্দ্ৰ প্ৰতিষ্ঠা।

**মুগা মিছন ঃ** ৰাজ্যখনত মুগাৰ উৎপাদন ২০২৬ চনৰ ভিতৰত বৰ্তমানৰ তুলনাত দহ গুণলৈ বৃদ্ধি কৰাৰ বাবে এক অভিলাষী আঁচনিৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ অধীনত ২০১৭-১৮ বিত্তীয় বৰ্ষত ৫০০ হেক্টৰ চৰকাৰী ভূমি, ২০০০ হেক্টৰ উচ্ছন্ন বনাঞ্চল আৰু ৮০০০ হেক্টৰ ব্যক্তিগত ভূমিত মুগাৰ পোষণস্থল স্থাপন আৰু পোষক বৃক্ষ ৰোপণৰ প্ৰস্তাৱ কৰা হৈছে। এই সকলো দিশ সামৰি বাজেটত ১০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰা হৈছে।

**শূন্য সুদত শস্য-ঋণ ঃ** কৃষকসকলক ঋণ লোৱাৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে এশ শতাংশ সুত ৰেহাই ব্যৱস্থাৰে এক লাখ টকা পৰ্যন্ত 'শূন্য সুদত শস্য-ঋণ' প্ৰদানৰ আঁচনি লোৱা হৈছে। এই উদ্দেশ্যে বাজেটত ২৫ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

**কিষাণ ঋণপত্ৰ ব্যৱহাৰকাৰী কৃষকলৈ বিত্তীয় সাহায্য ঃ** বেংকসমূহৰ জৰিয়তে ৰাজ্যৰ কৃষকসকলক প্ৰদান কৰা প্ৰায় ৯.৬ লাখ কিষাণ ঋণ পত্ৰৰ প্ৰায় ৮০ শতাংশই সম্প্ৰতি নিষ্ক্ৰিয়। এই নিষ্ক্ৰিয় কিষাণ ঋণ পত্ৰ অৰ্থাৎ কিষাণ ক্ৰেডিট কাৰ্ডসমূহ সক্ৰিয় কৰাৰ বাবে কৃষকসকলক উৎসাহিত কৰাৰ পদক্ষেপ ল'ব চৰকাৰে। ইয়াৰ উপৰি নিষ্ক্ৰিয় কে চি চি নবীকৰণ কৰিবলৈ আগবাঢ়ি অহা কৃষকক তিনি হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে বাজেটত ৬৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে।

**এহেজাৰখন কাঠৰ দলঙক পকী দলঙলৈ উন্নীতকৰণ আৰু ৰে'লৰে অভাৰব্ৰীজ নিৰ্মাণ ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত থকা এহেজাৰখন বিপজ্জনক কাঠৰ দলং পকী দলঙলৈ উন্নীত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ বাবে চলিত বাজেটত এশ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰা হৈছে। আনহাতে নতুন বিত্তীয় বৰ্ষত ৰাজ্যৰ দহটা স্থানত দহখন ৰে'লৰে অভাৰব্ৰীজ স্থাপন কৰা হ'ব। ইয়াৰ বাবে বাজেটত ৫০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে।

**চাহ বাগিচা কৰ্মীৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণ ঃ** চাহ বাগিচাৰ কৰ্মীসকলৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ উন্নতিকল্পে প্ৰত্যেক চাহ কৰ্মীৰ বেংক একাউণ্টত পাঁচ হাজাৰকৈ টকা জমা দিয়াৰ প্ৰস্তাৱ কৰা হৈছে। বেংকত একাউণ্ট খোলা প্ৰতিজন চাহ কৰ্মীৰ একাউণ্টত প্ৰাৰম্ভিক পৰ্যায়ত ২৫০০ টকাকৈ জমা দিয়া হ'ব। যদি কোনো চাহ কৰ্মীয়ে একেৰাহে ছমাহ বেংকৰ একাউণ্টৰ জৰিয়তে মজুৰি গ্ৰহণ কৰে, তেন্তে তেওঁৰ একাউণ্টৰ পুনৰ ২৫০০ টকা জমা দিয়া হ'ব। এই উদ্দেশ্যে বাজেটত ধাৰ্য কৰা হৈছে ২৮৭ কোটি টকা।

**সকলোৰে বাবে আৱাস গৃহ (নগৰ) ঃ** প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা—সকলোৰে বাবে আৱাস গৃহৰ অধীনত চহৰ অঞ্চলত আৱাস গৃহ নিৰ্মাণৰ বাবে বাছনি কৰা নগৰকেইখন হৈছে— গুৱাহাটী, নগাঁও, শিলচৰ, ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, কোকৰাঝাৰ আৰু ধুবুৰী। চহৰ অঞ্চলৰ দৰিদ্ৰ আৰু গৃহহীন লোকসকলক সহায় কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন মন্ত্ৰালয়ে ইতিমধ্যে আগবঢ়োৱা সা-সুবিধাৰ উপৰি ৰাজ্য চৰকাৰে প্ৰতিগৰাকী হিতাধিকাৰীক ৫০ হাজাৰকৈ টকা ৰাজ সাহায্য হিচাপে আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে বাজেটত ধাৰ্য কৰা হৈছে এশ কোটি টকা।

**চাহ বাগিচাৰ গৰ্ভৱতী কৰ্মী আৰু অস্থায়ী কৰ্মীৰ বাবে মজুৰি সম্পূৰ্তি ঃ** প্ৰতিগৰাকী গৰ্ভৱতী চাহ কৰ্মীৰ ১২ হাজাৰকৈ টকা এককালীন সাহায্য হিচাপে আগবঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে।

**দীনদয়াল দিব্যাংগ সাহায্য আঁচনি ঃ** এই আঁচনিৰ অধীনত ৰাজ্যখনৰ ৪,৫০,০০০ হাজাৰ দিব্যাংগৰ সু-চিকিৎসাৰ বাবে প্ৰতিগৰাকীলৈ ৫ হাজাৰকৈ টকা আগবঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে বাজেটত ২৫০ কোটি টকা আবণ্টন দিয়া হৈছে।

**প্ৰবাসী অসমীয়া বিভাগ গঠন ঃ** প্ৰবাসী অসমীয়াসকলৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে প্ৰবাসী অসমীয়া বিভাগ নামেৰে এটা নতুন বিভাগ মুকলি কৰাৰ বাবে বাজেটত প্ৰস্তাৱ কৰা হৈছে। ❑❑



# অসম বাজেট ২০১৭-১৮

❑ ডঃ গৌতম মজুমদাৰ




মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন অসম চৰকাৰৰ প্ৰথমখন পূৰ্ণাংগ বাজেট যোৱা ৭ ফেব্ৰুৱাৰীত সদনত দাখিল কৰা হয়। আশানুৰূপ ধৰণেই এইখন বাজেটত অসমৰ পূৰ্ণাংগ অৰ্থনৈতিক উন্নয়নৰ বাবে গ্ৰাম্য অৰ্থনীতি, আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। বিগত বিত্তীয় বছৰৰ বাজেটখনত (পৰিলক্ষিত হোৱা বৰ্তমান চৰকাৰৰ) ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ যি দৃষ্টিকোণৰ আভাস পোৱা গৈছিল, এই বছৰৰ বাজেটখনতো একেটা পথেৰেই সুদৃঢ়ভাৱে আগবাঢ়ি যোৱাৰ পৰিকল্পনা পৰিলক্ষিত হৈছে। বাস্তৱসন্মতভাৱে এইখন বাজেট আৰু কেন্দ্ৰীয় চৰকাৰৰ বাজেটখনৰ মাজত যথেষ্ট সাদৃশ্য পৰিস্ফুট হৈছে। ইয়াৰ কাৰণ হ'ল দুয়োখন বাজেটেই অৰ্থনৈতিক সংস্কাৰৰ লগত জড়িত। পোনপ্ৰথমেই ক'ব লাগিব ফেব্ৰুৱাৰী মাহত বাজেট দাখিল কৰা হেতুকে ইয়াৰ ৰূপায়ণ আগন্তুক বিত্তীয় বৰ্ষৰ প্ৰথম দিনাৰ (১ এপ্ৰিল) পৰাই কৰিব পৰা যাব। ইয়াৰ বাবে লাগতিয়াল নিৰ্দেশনা ইতিমধ্যেই বিভিন্ন বিভাগক দিয়া হৈছে। এইটো পদক্ষেপে অনৰ্থক বিলম্ব নোহোৱা কৰিব আৰু ৰূপায়ণৰ বাবে লগা সম্পূৰ্ণ সময় বিভাগসমূহে নিৰ্দিষ্ট বিত্তীয় বৰ্ষৰ ভিতৰতেই পাব। আনটো লেখত ল'বলগীয়া পৰিৱৰ্তন হ'ল বাজেটৰ পৰম্পৰাগত পৰিকল্পিত আৰু অপৰিকল্পিত (planned and non-planned) ব্যয়ৰ বিভাজন নোহোৱা কৰি তাৰ ঠাইত ৰাজহ আৰু মূলধনগত (revenue and capital) ব্যয় হিচাপে চৰকাৰী খৰচৰ হিচাপ দিয়াটো। ইয়াৰ ফলত চৰকাৰী ব্যয়ৰ অৰ্থনৈতিক উৎপাদন শক্তিত প্ৰকৃত প্ৰভাৱ গণনা কৰি উলিওৱাত সুবিধা হ'ব। এইটো পদক্ষেপ নীতি আয়োগৰ পৰামৰ্শ অনুসৰিয়েই লোৱা হৈছে। অৰ্থনৈতিক প্ৰগতিৰ হাৰৰ লগত মূলধনগত ব্যয়ৰ প্ৰত্যক্ষ সম্বন্ধ আছে। তৃতীয়তে আমি উল্লেখ কৰিব পাৰো যে কেন্দ্ৰীয় চৰকাৰৰ বাজেটখনৰ দৰেই এইখন বাজেটতো পৰোক্ষ কৰৰ বিশেষ কোনো সালসলনি কৰা হোৱা নাই। ইয়াৰ কাৰণ হ'ল যে অহা ১ জুলাই, ২০১৭ ৰ পৰা দেশত সামগ্ৰী আৰু সেৱা কৰ (Goods and Services Tax) বলৱৎ হোৱাটো একপ্ৰকাৰ নিশ্চিত। যিহেতু, সামগ্ৰী আৰু সেৱা কৰে দেশৰ পৰোক্ষ কৰৰ গাঁথনিলৈ আমূল পৰিৱৰ্তন আনিব আৰু বৰ্তমানৰ প্ৰায়বোৰ পৰোক্ষ কৰেই ইয়াৰ অন্তৰ্ভুক্ত হ'ব, মাত্ৰ তিনি মাহৰ কাৰণে পৰোক্ষ কৰৰ হাৰৰ কোনো সালসলনি নকৰাটোৰেই যুক্তিসংগত।

অৰ্থনীতিৰ ছাত্ৰ হিচাপে বাজেট এখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি ভবা পৰিসংখ্যাটো হ'ল ৰাজকোষীয় ঘাটিৰ (Fiscal Deficit) পৰিসংখ্যাটো। যোৱাবাৰৰ দৰে এইবাৰো আমাৰ বাজেটখনত ৰাজকোষীয় ঘাটি হৈছে কেৱল মূলধনগত চৰকাৰী ব্যয়ৰ বাবেহে। বৰ্তমান অসমৰ সমষ্টিবাদী অৰ্থনীতিৰ অৱস্থা আৰু চৰকাৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ পৰিপ্ৰেক্ষিতত মূলধন ঘাটিৰ প্ৰয়োজন আৱশ্যম্ভাৱী। তদুপৰি ৰাজকোষীয় ঘাটিৰ পৰিমাণ (২৩৫০ কোটি টকা) আমাৰ মতে অত্যধিক নহয়। ইয়াৰ লগতে আমি যদি ইতিমধ্যে ঘোষণা কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা খাৰুৱা তেলৰ ৰয়েলিটীৰ বাকী থকা পাওনাখিনি আইনগতভাৱে পাওঁ, তেতিয়া হয়তো এই ঘাটিও একপ্ৰকাৰ নোহোৱা হৈ যাব। সেই দিশৰ পৰা বাজেটখনকো একপ্ৰকাৰৰ সন্তুলিত বাজেট বুলি ক'ব পাৰি। ইতিমধ্যেই বিভিন্ন মহলত সন্দেহ প্ৰকাশ কৰা হৈছে যে বাজেটত ধাৰ্য কৰা আয় বা ধনৰাশি সঁচাকৈয়ে চৰকাৰৰ হাতলৈ আহিবনে নাই। এইক্ষেত্ৰত আমি আশাবাদী হোৱাৰ যুক্তিযুক্ততা আছে— প্ৰথমতে, আমি জানো যে ৰিজাৰ্ভ বেংক সমন্বিতে বিভিন্ন মহলে ইতিমধ্যে ব্যক্ত কৰিছে যে ভাৰতীয় অৰ্থনীতিৰ প্ৰগতিৰ হাৰ বিত্তীয় বৰ্ষ ২০১৭-১৮ চনৰ মাজভাগৰ পৰা ক্ৰমাৎ দ্ৰুত হ'ব। দ্বিতীয়তে, সামগ্ৰী আৰু সেৱা কৰ বলৱৎ হোৱাৰ ফলত যদি আমি গণনা কৰি উলিওৱা পৰোক্ষ কৰৰ পৰা পাবলগা আয়ৰ পৰিমাণ হিচাপতকৈ কমি যায়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে পূৰ্বনিৰ্ধাৰিত হিচাপ আৰু প্ৰকৃত হিচাপৰ ব্যৱধানৰ শতকৰা এশ ভাগেই ক্ষতিদান হিচাপে দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে আমি সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ পৰা তিনিশ কোটি টকা আবণ্টন পোৱাটো নিশ্চিত। তৃতীয়তে, এই বছৰৰ আমাৰ পৰোক্ষ কৰৰ পৰা হোৱা আয় যোৱা বছৰৰ তুলনাত ১৬ শতাংশ বৃদ্ধি পাইছে, যিটো অতি উৎসাহজনক। বাজেটত থকা বিভিন্ন আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ কৰিব পাৰিলে এই বৃদ্ধিৰ হাৰ আৰু অধিক সবল হোৱাৰ সম্ভাৱনা প্ৰবল। গতিকে শংকাৰ বিশেষ অৱকাশ নাই।

আমি ইতিমধ্যে উনুকিয়াইছো যে এইবাৰ বাজেটত গ্ৰাম্য অৰ্থনীতি, আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই কথা বাজেটত সন্নিৱিষ্ট ছটা কৌশলগত

বিভাজনৰ জৰিয়তে স্পষ্ট কৰা হৈছে। এইসমূহ হ'ল— (১) ৰাজস্ব বিত্ত অৰ্থনীতি সংস্কাৰ, পৰিচালনা আৰু সবলীকৰণ, (২) ৰাজহুৱা আন্তঃগাঁথনি আৰু নগৰ উন্নয়ন তথা বৃত্তিগত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনত গুৰুত্ব, (৩)কৃষক-যুৱ প্ৰজন্ম-মহিলা-দিব্যাংগসকলৰ কল্যাণ, (৪) গ্ৰাম্য উন্নয়ন আৰু কৰ্মসংস্থাপন সৃষ্টি, (৫) বিত্তীয় অন্তৰ্ভুক্তিকৰণ, (৬) অসমৰ ইতিহাস আৰু ঐতিহ্যক কেন্দ্ৰ কৰি সাংস্কৃতিক আৰু অৰ্থনৈতিক নৱজাগৰণ সৃষ্টি। এই মূল বিভাগসমূহৰ উন্নয়নৰ বাবে ওঠৰটা প্ৰমুখ্য পদক্ষেপৰ জৰিয়তে ৰূপায়ণ কৰাৰ আঁচনি তৈয়াৰ কৰা হৈছে, যিসমূহক অসমৰ বিত্তমন্ত্ৰীয়ে 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা' বুলি অভিহিত কৰিছে। সামগ্ৰিকভাৱে আমি যদি এই আঁচনিসমূহ কেন্দ্ৰীয় বাজেটত থকা আঁচনিসমূহৰ লগত সন্নিৱিষ্ট কৰি চাওঁ, তেতিয়া অৰ্থনীতিত এটা অতি ধণাত্মক পৰিৱৰ্তন আশা কৰিব পাৰো। এই পৰিৱৰ্তন গ্ৰামীণ আয়, নিয়োগ, ব্যক্তিগত খণ্ডৰ বিনিয়োগ আৰু সামগ্ৰিকভাৱে ঊৰ্ধমুখী অৰ্থনৈতিক আদান-প্ৰদানৰ জৰিয়তে প্ৰকাশ পাব। বিশেষকৈ আন্তঃগাঁথনি আৰু গৃহ নিৰ্মাণৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ গুণাত্মক প্ৰভাৱ অতি প্ৰবল।

বাজেটখনত থকা বিভিন্ন গাইগুটীয়া আঁচনিসমূহ আলোচনা কৰাৰ অৱকাশ আমাৰ ইয়াত নাই। তথাপি এই বাজেটত থকা কিছুমান প্ৰশংসনীয় পদক্ষেপৰ বিষয়ে উল্লেখ নকৰি নোৱাৰি, যাৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। পোনপ্ৰথমেই আমি উল্লেখ কৰিব লাগিব ৰাজস্ব বিত্তৰ পৰিচালনাৰ ক্ষেত্ৰত সংস্কৰণৰ বাবে লোৱা পদক্ষেপসমূহত ইতিমধ্যেই ৰাজকোষ জড়িত বহুতো সংশোধন ৰূপায়ণ হৈছে আৰু ১ মে', ২০১৭ৰ পৰা আন কিছু সংশোধন বলৱৎ হ'ব। এইক্ষেত্ৰত উল্লেখনীয় হ'ল বিশ্ববেংকৰ আৰ্থিক সাহায্যত আৰম্ভ কৰা ASPIRe (ASSAM STATE PUBLIC FINANCE INSTITUTIONAL REFORMS) নামৰ প্ৰকল্পটো। এই প্ৰকল্পটোৱে কৰ, আবকাৰী বিভাগ আৰু বাজেট নিয়ন্ত্ৰণ সমন্বিতে বিত্তীয় পৰিচালনাৰ সকলো দিশেই সামৰি ল'ব। ইয়াৰ উপৰি চৰকাৰৰ ব্যয়ৰ অধিকাংশই বিত্তীয় বছৰটোৰ প্ৰথম ৯ মাহৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ লক্ষ্য ৰখা হৈছে। এনে নকৰিলে বছৰটোৰ শেষৰ পিনে চৰকাৰৰ ধন হেতা-ওপৰাকৈ খৰচ কৰা পৰিলক্ষিত হয়। এইবছৰৰ পৰা অহা তিনি বছৰলৈ বিত্তীয় বছৰৰ শেষৰ তিনিটা মাহত কৰিব পৰা ব্যয় সৰ্বমুঠ ব্যয়ৰ ৩০ শতাংশতকৈ বেছি হ'ব নোৱাৰিব। এনেবোৰ পদক্ষেপে চৰকাৰী ব্যয়ৰ উৎপাদশীলতা বহু পৰিমাণে বৃদ্ধি কৰিব বুলি আশা কৰিব পাৰি।

দ্বিতীয়তে, পোনপ্ৰথমবাৰৰ বাবে অসমৰ চাহ জনগোষ্ঠীক অসমৰ অৰ্থনীতিৰ মূল অংশলৈ অনাৰ বলিষ্ঠ পদক্ষেপ এইখন বাজেটৰ জৰিয়তে লোৱা হৈছে। চৰকাৰৰ প্ৰতিটো বিভাগে এতিয়াৰ পৰা তেওঁলোকৰ পুঁজিৰ ৫ শতাংশ চাহ জনগোষ্ঠীৰ কাৰণে ৰাখিব লাগিব। ইয়াৰ উপৰি বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ বাবে চাহ বাগানৰ বনুৱাক বেংক একাউণ্ট খুলিবলৈ পাঁচ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি চাহ বাগানৰ সন্তানসম্ভৱা মহিলা কৰ্মচাৰীলৈ ১২ হাজাৰকৈ অনুদান আগবঢ়োৱা হ'ব যাতে গৰ্ভধাৰণৰ সময়ত নিজৰ আৰু সন্তানৰ জীৱন বিপন্ন কৰি মজদুৰী কৰিবলৈ যাবলগীয়া নহয়। ইয়াৰ সু-প্ৰভাৱ প্ৰসূতিৰ মৃত্যুৰ হাৰ (Maternal Mortality Rate) আৰু নৱজাতকৰ মৃত্যুৰ হাৰ (Infant Mortality Rate) ৰ ওপৰত পৰাটো নিশ্চিত।

তৃতীয়তে, অসম চৰকাৰৰ পাঁচ লাখ কৰ্মচাৰীক উৎসাহিত কৰিবলৈ দিয়া সুবিধাসমূহো লেখত ল'বলগীয়া। এই বছৰৰ ১ এপ্ৰিলৰ পৰাই চৰকাৰী কৰ্মচাৰীসকলে সপ্তম দৰমহা আয়োগৰ অনুমোদন অনুযায়ী উচ্চ হাৰত মাহিলি বেতন লাভ কৰাৰ উপৰি ১ এপ্ৰিল, ২০১৬ ৰ পৰাই নতুন দৰমহা নিৰিখৰ বকেয়া ধনো লাভ কৰিব। ইয়াৰ উপৰি গৃহ নিৰ্মাণৰ বাবে প্ৰতিজন কৰ্মচাৰীয়ে ১৫ লাখ টকালৈকে ৫ শতাংশ সুদৰ হাৰত বন্ধকবিহীন গৃহ ঋণ লাভ কৰিব। উচ্চ শিক্ষাৰ বৰ্ধিত ব্যয়ৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী চাকৰিয়ালৰ সন্তানৰ বাবে শিক্ষাগত ঋণ ৪ শতাংশ সুদৰ হাৰত পোৱাৰ ব্যৱস্থা কৰা হ'ব। স্বাস্থ্যৰ ক্ষেত্ৰতো নগদবিহীন কাৰ্ড (Cashless Card)ৰ ব্যৱস্থা ২০১৮ চনৰ পৰা বলৱৎ কৰাৰ প্ৰস্তাৱ ৰখা হৈছে। যিহেতু চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণ প্ৰধানকৈ কৰ্মচাৰীৰ ওপৰতেই নিৰ্ভৰশীল, এনেধৰণৰ সুবিধা বাঞ্ছনীয়। ইয়াৰ ফলত তেওঁলোকৰ দায়বদ্ধতাও বৃদ্ধি পোৱাটো নিশ্চিত। কিয়নো এতিয়া চৰকাৰ আৰু ৰাইজে চৰকাৰী কৰ্মচাৰীৰ পৰা সততা আৰু দক্ষতা আপোচবিহীনভাৱে দাবী কৰিব পাৰিব।

সৰ্বশেষত আমি উল্লেখ কৰিব বিচাৰো কিছুমান সৰু-বৰ আঁচনি যিবোৰ অতিকৈ সম্ভাৱনাপূৰ্ণ। এনে কিছুসংখ্যক আঁচনি হ'ল— মধ্যাহ্ন ভোজনৰ অন্তৰ্গত সপ্তাহত দুটাকৈ কণী আৰু ৰন্ধন গেছৰ যোগান, বি পি এল কাৰ্ড থকা পৰিয়ালৰ গৃহিণীসকলৰ বাবে ৰন্ধন গেছ সংযোগৰ বাবে এহেজাৰ টকা প্ৰদান, চৰ অঞ্চলত আঠখনকৈ মহাবিদ্যালয় স্থাপন, 'আগৰ'ক সেউজীয়া সোণলৈ (Green Gold) পৰিৱৰ্তন কৰাৰ প্ৰয়াস, মুগা মিছন, বিলুপ্তপ্ৰায় থলুৱা মাছৰ বীজ বেংক স্থাপন, সামগ্ৰিকভাৱে উন্নতমানৰ শিক্ষা আৰু স্বাস্থ্যসেৱা ৰাজ্যখনৰ সকলো দিশলৈ নিয়াৰ প্ৰচেষ্টা, যাতে অনাহকতে সাধাৰণ ৰাইজ গুৱাহাটী বা বহিঃৰাজ্যমুখী হোৱাৰ প্ৰৱণতা কমি যায় ইত্যাদি।

নিঃসন্দেহে ২০১৭-১৮ বিত্তীয় বছৰৰ বাজেটখন এখন পৰিৱৰ্তনমুখী, অৰ্থনৈতিক সংস্কাৰকামী, জনমুখী আৰু সম্ভাৱনাপূৰ্ণ বাজেট হিচাপে পৰিগণিত হৈছে। বিত্তমন্ত্ৰীয়ে বিচৰা ধৰণেই এইখন বাজেটে সমাজৰ সকলো স্তৰৰ আৰু ৰাজ্যখনৰ সকলো অঞ্চলৰ ৰাইজৰ মনত আশাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। এই আশা বাস্তৱত ৰূপায়িত হ'ব আৰু অসমখন নৱজাগ্ৰত হৈ উঠিব যদিহে বাজেটত দিয়া প্ৰতিশ্ৰুতিসমূহ শতকৰা এশ ভাগেই ৰূপায়িত হয়। আমি জনাত চৰকাৰে এইটো এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে। জি এছ টিৰ বাবে পৰোক্ষ কৰৰ লগত জড়িত বিভাগসমূহৰ বিষয়ববীয়াসকলৰ প্ৰশিক্ষণ পূৰ্ণ গতিত চলি আছে। ঠিক তেনেদৰেই বিভিন্ন আঁচনি ৰূপায়ণৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সকলো স্তৰৰ কৰ্মচাৰীকেই ফলপ্ৰসূ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰাটো সমীচীন হ'ব। লগতে প্ৰশিক্ষিত বিষয়ববীয়াৰ সকলো তথ্য এনেদৰে ৰখা উচিত যাতে তেওঁলোকে লাভ কৰা প্ৰশিক্ষণ আৰু তেওঁলোকক প্ৰদান কৰা দায়িত্বৰ মাজত সংগতি থাকে। অপৰিকল্পিতভাৱে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে ধন আৰু সময় দুয়োটাৰে অপচয় হয়, যিটো আমি সচৰাচৰ দেখা পাওঁ। আমি ভাবো য'তেই সম্ভৱ, আঁচনিসমূহ প্ৰকল্প আৰ্হি (Project mode)ত কৰিব পাৰিলে ভাল। তাৰ লগতে পৰ্যবেক্ষণ তথা নিৰীক্ষণ ব্যৱস্থাটোও সুদৃঢ় কৰাটো কাম্য। কৃতকাৰ্যতাৰ মাপমাঠী কেৱল বস্তুগত বা ব্যয়গত লক্ষ্য (physical and financial target) হ'লেই যথেষ্ট নহয়, ব্যয়ৰ গুণগত মানৰ ওপৰতো সমানেই গুৰুত্ব দিব লাগিব। এইবাৰৰ বাজেটখনত পোন প্ৰথমবাৰৰ বাবে আউটকাম বাজেট (Outcome Budget) ৰ কথা উল্লেখ কৰা হৈছে। সেয়েহে আমি আশা কৰিব পাৰো বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ সময়োপযোগী প্ৰভাৱ মূল্যায়ণ (Impact evaluation) ৰ ব্যৱস্থাও চৰকাৰে কৰিব। ইয়াৰ উপৰি সচেতন ৰাইজে বিচাৰিব চৰকাৰে কৰা বস্তু-সামগ্ৰী ক্ৰয়ৰ ব্যৱস্থাটো আৰু অধিক স্বচ্ছ আৰু প্ৰতিযোগিতামূলক বজাৰৰ ভিত্তিত হওক। ইতিমধ্যেই চৰকাৰে আৰম্ভ কৰা ই-প্লেটফৰ্মৰ জৰিয়তে কৰা ক্ৰয় ব্যৱস্থাটো সৰ্বত্ৰ আৰু প্ৰতিটো স্তৰলৈ লৈ যোৱাটো কাম্য। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগতে অসমেও সুফলৰ অভিজ্ঞতা লাভ কৰিছে। 'আনন্দৰাম বৰুৱা বৃত্তি'ৰ বাবদ ক্ৰয় কৰা লেপ্টপৰ দাম এবছৰতেই ৩০ শতাংশ কমি অহাটো তাৎপৰ্যপূৰ্ণ আৰু সৰ্বজনবিদিত। মুঠৰ ওপৰত আশাৰ বতৰা কঢ়িয়াই অনা ২০১৭-১৮ চনৰ বাজেটখনৰ সাৰ্থকতা নিৰ্ভৰ কৰিব ৰূপায়ণৰ স্বচ্ছতা, সততা আৰু দক্ষতাৰ ওপৰত।❐❐

*(লেখক কটন কলেজৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক)*